১৪.৩ যুদ্ধোত্তৰ পৰিস্থিতি - বৃটিছ দৃষ্টিভংগীৰ পৰিৱৰ্তন

ভাৰতৰ স্বাধীনতা আন্দোলনলৈ দ্বিতীয় বিশ্বযুদ্ধই এক নতুন উদ্দীপনা প্রদান কৰিছিল। দ্বিতীয় বিশ্বযুদ্ধৰ ফলত আন্দঃ ৰাষ্ট্রীয় ক্ষেত্রত বৃটেইনৰ শ্রেষ্ঠতা নোহোৱা হ'ল। বিশ্বৰ দুই বৃহৎ শক্তি ৰূপে আমেৰিকা আৰু ৰাছিয়াৰ অভ্যুত্থান ঘটিল। ভাৰতবর্ষক স্বাধীন কৰি দিবলৈ দেশ দুখনে বৃটিছ চৰকাৰক সজোৰে আহ্বান জনালে।

এই সময়ছোৱাত 1945 চনৰ 10 জুলাইত ক্লীমেন্ট এট্লী নেতৃত্বাধীন লেবাৰ পার্টীয়ে বৃটেইনত ক্ষমতালাভ কৰে। এই চৰকাৰখন ঔপনিবেশিকতাবাদৰ বিৰোধী আছিল আৰু ভাৰতৰ প্রতি এক সহানুভূতিশীল মনোভাৱ ৰাখিছিল। বিশ্বযুদ্ধখনে বৃটেইনক আর্থিক আৰু সামৰিকভাৱে দুর্বল কৰি তোলাৰ বাবে ঔপনিবেশবোৰত শক্তিশালী অৱশথা ৰখাটো দেশখনৰ বাবে অসম্ভৱ হৈ পৰিছিল। ইয়াৰোপৰি ভাৰতীয় ফৌজ, আৰক্ষী আৰু আমোলাৰ মাজত জাতীয় ভাৱাবেগ দ্রুততৰ বদ্ধি পাইছিল। সংস্কাৰ সাধন আৰু দায়বদ্ধ চৰকাৰ গঠনৰ দাবীত হায়দৰাবাদ, ট্রাভানকোৰ আৰু কাশ্মীৰত 1945 – 46 ৰ ভিতৰত বহুতো তাৎপর্যপূর্ণ আন্দোলন সংঘটিত হৈছিল।



জানি থোৱা ভাল

1946 চনৰ 20 জানুৱাৰীত কৰাচীত বায়ু সেনা বাহিনীৰ কিছু সৈন্যই বৃটিছ চৰকাৰৰ বিৰুদ্ধে ধর্মঘট কৰিছিল।অতি কম সময়ৰ ভিতৰত এই ধর্মঘট লাহোৰ, দিল্লী আৰু বোম্বেলৈ বিয়পি পৰিছিল। 1946 চনৰ 19 ফ্রেব্রুৱাৰীত ৰয়েল নেভীৰ কিছুমান ভাৰতীয় সেনাৰ কোম্পানীয়ে বায়ু সেনাৰ সৈন্যসকলৰ সমর্থনত বৃটিছ চৰকাৰৰ বিৰুদ্ধে বিদ্রোহ কৰে। পাছলৈ দিল্লী আৰু বিহাৰত পুলিচ বাহিনীবোৰেও ধর্মঘট কৰে।

১৪.৪ কেবিনেট মিছন আঁচনি

এনে পৰিস্থিতিত লেবাৰ পার্টীয়ে ভাৰতৰ সমস্যা নিষ্ঠাৰে সমাধান কৰিব বিচাৰিছিল। ভাৰতবর্ষত ঘটি থকা অচলাৱস্থাৰ সমাধান কৰিবলৈ 1946 চনৰ 19 ফ্রেব্রুৱাৰীত বৃটিছ প্রধানমন্ত্রী এট্লিয়ে 'মন্ত্রী মিছন' বা 'কেবিনেট মিছন' পঠিওৱাৰ কথা ঘোষণা কৰে। বৃটিছ কেবিনেট মন্ত্রীসভাৰ তিনিজন সদস্য — লর্ড পেথিক লৰেন্স, চাৰ ষ্টেফোর্ড ক্রিপছ্ আৰু এ ভি আলেকজেণ্ডাৰৰ দ্বাৰা এই মিছন গঠিত হৈছিল। তেওঁলোকে 742 জন ভাৰতীয় নেতাৰ সৈতে 182 বাৰ আলোচনাত বহে। যদিও সাম্প্রদায়িক বিষয়টো সমাধান কৰিব নোৱাৰিলে। অৱশেষত মিছনে 'কেবিনেট মিছন প্লেন' নামৰ সকলো ৰাজনৈতিক দলে গ্রহণ কৰিব পৰা এক আঁচনি ঘোষণা কৰে।

কেবিনেট মিছন আঁচনিত ঘোষণা কৰা হৈছিল যে বৃটিছ শাসিত ভাৰতীয় প্রদেশ আৰু দেশীয় ৰাজ্যবোৰক লৈ ভাৰতত এখন যুক্তৰাষ্ট্রীয় চৰকাৰ গঠন হ'ব। যুক্তৰাষ্ট্রীয় চৰকাৰৰ শাসন

(ঘ) কেবিনেট মিছন আঁচনিয়ে ভাৰতৰ প্ৰদেশবোৰক দুটা গোটত বিভক্ত কৰাৰ সিদ্ধান্ত লৈছিল।

প্ৰশ্ন নং 2ঃ মুছলিম লীগে কেতিয়া কেবিনেট মিচন আঁচনি গ্ৰহণ কৰিছিল?

.....

প্ৰশ্ন নং 3ঃ ইণ্ডেডত লেবাৰ পাৰ্টি কেতিয়া ক্ষমতালৈ আহিছিল?

.....

১৪.৫ সাম্প্ৰদায়িক ৰাজনীতি আৰু দেশ বিভাজন

কংগ্ৰেছ আৰু মুছলীম লীগে কেবিনেট মিছন আঁচনিক নিজ ধৰণে বাখ্যা কৰিছিল আৰু এনে কৰাৰ বাবে দুয়োদলে নিজৰ নিজৰ অৱস্থান দৃঢ় কৰিবলৈ বিচাৰিছিল। মিছন আঁচনিত থকা বাধ্যতামূলকত গোটবন্ধনে পাকিস্তানৰ আধাৰ প্ৰস্তুত কৰাৰ ইতি বহন কৰিছিল বাবে লীগে ছ জুনত ইয়াক গ্ৰহণ কৰিছিল।

কিন্তু কেবিনেট মিছন আঁচনি নাকচ কৰাৰ পিছত পাকিস্তান প্ৰাপ্তিৰ বাবে মুছলিম লীগে প্ৰত্যক্ষ সংগ্ৰামৰ পথ বাছি লোৱাৰ সিদ্ধান্ত লয়। 1946 চনৰ 16 আগষ্ট তাৰিখে লীগে 'প্ৰত্যক্ষ সংগ্ৰামৰ দিন' উদ্‌যাপন কৰাৰ ফলশ্ৰুতিত দেশৰ পৰিৱেশ বিনষ্ট হোৱাৰ লগতে মুছলিম সাম্প্ৰাদায়িকতাবাদ যথেষ্ট বৃদ্ধি পায়। ভাৰতৰ ৰাজনৈতিক পৰিস্থিতি শোচনীয় হ'বলৈ আৰম্ভ কৰিলে আৰু দেশখনত গৃহযুদ্ধৰ সম্ভাব্য পৰিস্থিতিৰ উদ্ভৱ হৈছিল।এই সময়ছোৱাতে কেবিনেট মিছন আঁচনি অনুযায়ী জৱাহৰলাল নেহেৰুৰ অধীনত 1946 চনৰ 2 ছেপ্তেম্বৰত এখন অৰ্ন্তবৰ্ত্তীকালীন টচৰকাৰ গঠিত হ'ল। এই অন্তৰৰ্তীকালিন চৰকাৰ খনৰ 14 জন সদস্যৰ বিতৰত কংগ্ৰেচৰ পৰা 6 জন, মুছলীম লীগৰ পৰা 5 জন আৰু ভাৰতীয় খ্ৰীষ্টিয়ান, শিখ আৰু পাৰ্ছী প্ৰতিটো সম্প্ৰদায় এগৰাকী সদস্য আছিল। প্ৰথম অৱস্থাত মুছনীম লীগে বিৰোধিতা কৰিলেও পিছলৈ ভাইচৰয়ৰ চেষ্টাত তেওঁলোকে অন্তৰৰ্তীকালীন চৰকাৰত যোগ দিবলৈ সন্মতি প্ৰকাশ কৰিলে আৰু এনেদৰে লীগে 1946 চনৰ 26 অক্টোবৰত চৰকাৰত যোগ দিলে। চৰকাৰত যোগদান কৰাৰ পিছতো লীগে কংগ্ৰেছৰ প্ৰতি এক অসহযোগ মনোভাৰ প্ৰকট কৰিলে। লীগে নেহেৰুৰ নেতৃত্ব মানি লোৱা নাছিল আৰু সততে মন্ত্ৰীপৰিষদৰ বিৰোধিতা কৰিছিল।

১৪.৬ মাউণ্ট বেটেণ্টৰ পৰিকল্পনা আৰু ভাৰত স্বাধীনতা আইন ১৯৪৭

চৰকাৰে যিমান পাৰি সোনকালে দেশখনৰ ক্ষমতা দায়িত্বশীল ভাৰতীয়ৰ হাতলৈ হস্তান্তৰ কৰাৰ সিদ্ধান্ত লৈছিল। 1947ৰ চনৰ 20 ফ্ৰেব্ৰুৱাৰীৰ দিনা বৃটিছ প্ৰধানমন্ত্ৰী লৰ্ড এটলিয়ে ঘোষণা কৰে যে 1948 চনৰ জুন মাহৰ পূৰ্বেই বৃটিছ চৰকাৰে ভাৰতৰ শাসন দায়িত্বশীল ভাৰতীয়ৰ হাতত অৰ্পন কৰাৰ নিশ্চিত অভিপ্ৰায় লৈছে।

1947 চনৰ 20 মাৰ্চত লৰ্ড ৰাডেলৰ ঠাইত মাউন্ট বেটেন ভাইচৰয় হয়। তেওঁ অনুভৰ

১৪.৮ প্ৰসংগ পুথি

1. Chapra P.N., Puuri B.N., Das M.N., Pradhan A.C (1996) : *A new advances history of India,* New Delhi, Prentice Hall of India.
2. Majumdar, R.C. Roy Chandhury, H.C., Dutta, K (1916) : *An Advanced history of India*, New Delhi, Macnillan India Ltd.
3. Grever, B.L, Mehta, Alaka (2011): *A New Look at Modern Indian History,* New Delhi, C Chand & Company Ltd.
4. Banerjee A.C (1985) : *History of India,* Calcultta, A Mukherjee & Co.Pvt.ltd.

১৪.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ (ক) শুদ্ধ (খ) অশুদ্ধ (গ) শুদ্ধ (ঘ) অশুদ্ধ

২ নং প্ৰশ্নৰ উত্তৰঃ 6 জুন, 1946 চন।

৩ নং প্ৰশ্নৰ উত্তৰঃ 10 জুলাই, 1945 চন।

৪ নং প্ৰশ্নৰ উত্তৰঃ 16 আগষ্ট, 1946 চন।

৫ নং প্ৰশ্নৰ উত্তৰঃ লৰ্ড মাউণ্ট বেটাণ্ট।

৬ নং প্ৰশ্নৰ উত্তৰঃ 3 জুন, 1947 চন।

৭ নং প্ৰশ্নৰ উত্তৰঃ 14 জুলাই, 1947 চন।

১৪.১০ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ 50 শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ লেবাৰ পাৰ্টিৰ মুৰব্বী কোন আছিল?

প্ৰশ্ন ২ঃ কেবিনেট মিছন আঁচনিৰ সদস্যসকলৰ নাম লিখক।

প্ৰশ্ন ৩ঃ লৰ্ড মাউণ্ট বেটাণ্ট কেতিয়া ভাৰতলৈ আহে?

প্ৰশ্ন ৪ঃ অন্তৰৰ্তীকালীন চৰকাৰখন কাৰ তত্বাৱধানত গঠন হৈছিল?

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ 150–300 শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ কেবিনেট মিছন আঁচনিৰ ওপৰত এটি চমুটোকা লিখক।

প্ৰশ্ন ২ঃ মাউণ্ট বেটাণ্ট আঁচনিৰ ওপৰত এটি চমুটোকা লিখক।

প্ৰশ্ন ৩ঃ ভাৰতীয়সকলে কিয় আগষ্ট প্ৰস্তাৱ নাকচ কৰিছিল?

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ 300–500 শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ ভাৰতবৰ্ষখন কিয় বিভাজন কৰা হ'ল? আলোচনা কৰক।

*** ***** ***